# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 17-03-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ পডকাষ্টাৰ তথা কম্পিউটাৰ বিজ্ঞানী লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানত সন্ত্ৰাসবাদকে ধৰি বিভিন্ন বিষয়ত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰায়ছিনা ডায়লগৰ দশম সংস্কৰণ মুকলি কৰিব।

৩। ডোনাল্ড ট্ৰাম্প চৰকাৰে আমেৰিকা যুক্তৰাষ্ট্ৰত ৪৩ খন দেশৰ নাগৰিকৰ যাত্ৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰস্তুতি চলাইছে।

৪। আজি ইংলেণ্ডত আৰম্ভ হ'বলগীয়া কাবাডী বিশ্বকাপ ২০২৫ত ভাৰতৰ পুৰুষ দলটোৱে অভিযান আৰম্ভ কৰিব।

*আৰু*

৫। শচীন তেণ্ডুলকাৰ নেতৃত্বাধীন ইণ্ডিয়া মাষ্টাৰ্ছে ইণ্টাৰনেচনেল মাষ্টাৰ্ছ লীগ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে যে, পাকিস্তানৰ সৈতে শান্তিপূৰ্ণ সম্পৰ্ক গঢ়িবলৈ ভাৰতে কৰা প্ৰতিটো প্ৰচেষ্টাত শত্ৰুতা আৰু বিশ্বাসঘাতকতাৰ সন্মুখীন হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনপ্ৰিয় প'ডকাষ্টাৰ আৰু কম্পিউটাৰ বিজ্ঞানী লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা এটা মত বিনিময় অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দুয়োখন দেশে নতুন পথ বিচাৰি পোৱাৰ আশাতেই ২০১৪ চনত পাকিস্তানৰ সমকক্ষ নৱাজ শ্বৰীফক তেওঁৰ শপত গ্ৰহণ অনুষ্ঠানৰ বাবে বিশেষভাৱে আমন্ত্ৰণ জনোৱা হৈছিল। সন্ত্ৰাসবাদক লালন-পালন কৰাত পাকিস্তানৰ দীৰ্ঘদিনীয়া ভূমিকাক কটাক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদৰ শিপা ক'ত সেই বিষয়ে বিশ্বৰ আৰু সন্দেহ নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোৰ দি কয় যে ভাৰত নিৰপেক্ষ নহয় বৰঞ্চ শান্তিৰ প্ৰতি দৃঢ় প্ৰতিজ্ঞাবদ্ধ। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতে যেতিয়াই শান্তিৰ কথা কয় তেতিয়াই সমগ্ৰ বিশ্বই শুনি থাকে কাৰণ ভাৰত হৈছে গৌতম বুদ্ধ আৰু মহাত্মা গান্ধীৰ দেশ। লেক্স ফ্ৰিডমেনৰ সৈতে হোৱা প'ডকাষ্টত নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতীয়সকলে সমন্বয়ক সমৰ্থন কৰে আৰু শান্তিৰ পক্ষত থিয় দিয়ে। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে

দুয়োখন ৰাষ্ট্ৰ আলোচনাৰ মেজলৈ আহিলেহে সংঘাতৰ সমাধান ওলাব। তেওঁ লগতে কয় যে বৰ্তমানৰ পৰিস্থিতিয়ে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অৰ্থপূৰ্ণ আলোচনাৰ সুযোগ প্ৰদান কৰিছে। ভাৰত-চীনৰ সম্পৰ্ক সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দুয়োখন দেশৰে প্ৰাচীন সংস্কৃতি আৰু সভ্যতা আছে আৰু দেশ দুখনৰ সম্পৰ্ক নতুন নহয়। তেওঁ কয় যে কোনোবা নহয় কোনোবা প্ৰকাৰে ভাৰত আৰু চীনে মিলি বিশ্বৰ মংগলৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। তেওঁ লগতে কয় যে পূৰ্বৰ শতিকাবোৰত ভাৰত আৰু চীনৰ মাজত সংঘাতৰ ইতিহাস নাই। ভৱিষ্যতেও ভাৰত আৰু চীনৰ মাজত সুদৃঢ় সম্পৰ্ক অব্যাহত থাকিব লাগে বুলি তেঁও মতামত আগবঢ়ায়। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে চুবুৰীয়া দেশসমূহৰ মাজত মতানৈক্য থাকে যদিও সেয়া যাতে বিবাদলৈ পৰ্যবসিত নহয় তাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। ভাৰত-নিউজিলেণ্ডৰ সম্পৰ্কৰ বিভিন্ন দিশ সামৰি বৈঠকখনত আলোচনা কৰা হ'ব। ইয়াৰ পাছতে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনে সাক্ষাৎ কৰিব। নেতাগৰাকীয়ে লগতে মুম্বাই ভ্ৰমণ কৰি নিৰ্বাচিত ব্যৱসায়ীসকলৰ সৈতে মত বিনিময় কৰিব। লাক্সনৰ এই ভ্ৰমণৰ লক্ষ্য হৈছে ভাৰত-নিউজিলেণ্ডৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰা। ভাৰত ভ্ৰমণৰ উদ্দেশ্যে অহা নেতাগৰাকী কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁৰ সৈতে মন্ত্ৰী, উচ্চপদস্থ বিষয়া, ব্যৱসায়ী, সংবাদকৰ্মী, আৰু ভাৰতীয় প্ৰব্ৰজনকাৰী সমাজৰ সদস্যকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতত উপস্থিত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰায়ছিনা ডায়লগৰ দশম সংস্কৰণ মুকলি কৰিব। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লক্সন উদ্বোধনী অধিৱেশনৰ মুখ্য অতিথি ৰূপে উপস্থিত থাকিব। অহা ১৯ মাৰ্চলৈ চলিবলগীয়া তিনিদিনীয়া এই কাৰ্যসূচীৰ এইবাৰৰ বিষযবস্তু কালচক্ৰ- মানুহ, শান্তি আৰু পৃথিৱী। এই কাৰ্যসূচী বিশ্বৰ নীতি নিৰ্মাতা আৰু চিন্তাবিদসকলে ছটা মুখ্য বিষয়ত বিভিন্ন আলোচনাত মিলিত হ'ব। ৰায়ছিনা ডায়লগৰ এইবাৰৰ সংস্কৰণত ১২৫ খন দেশৰ প্ৰতিনিধিসকলে অংশ লোৱাৰ কথা। মন্ত্ৰী, চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভিন্ন বিভাগৰ মুৰববী, শিক্ষাবিদ, ব্যৱসায়ী, সাংবাদিকসকলৰ লগতে যুৱ প্ৰজন্মৰ প্ৰতিনিধিও এই কাৰ্যসূচীত উপস্থিত থাকিব। ৩ হাজাৰ ৫০০ জনতকৈও অধিক লোকে অংশ ল'বলগীয়া ৰায়ছিনা ডায়লগ ২০২৫ৰ কাৰ্যসূচীসমূহ বিভিন্ন ডিজিটেল মঞ্চৰ জৰিয়তে বিশ্বজুৰি সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব।

ooooo

ডোনাল্ড ট্ৰাম্প চৰকাৰে আমেৰিকালৈ পাকিস্তান, আফগানিস্তান আৰু ৰাছিয়াকে ধৰি ৪৩ খন দেশৰ নাগৰিক যাত্ৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰস্তুতি চলাইছে। নিৰাপত্তা বিষয়াসকলৰ পৰামৰ্শৰ ভিত্তিত ইতিমধ্যে এখন খচৰা তালিকা সাজু কৰি উলিওৱা হৈছে, য'ত দেশসমূহক ৰেড, অৰেঞ্জ আৰু য়েল্লো এই তিনিটা শাখাত বিভক্ত কৰা হৈছে। তালিকাৰ ৰেড শাখাত অন্তৰ্ভুক্ত হোৱা দেশৰ লোকসকলক আমেৰিকাত প্ৰৱেশৰ ক্ষেত্ৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা হ'ব আৰু সেই লোকসকলৰ ভিছাও প্ৰত্যাহ্বাৰ কৰা হ'ব পাৰে। আফগানিস্তান, ভূটান, কিউবা, ইৰাণ, লিবিয়া, উত্তৰ কোৰিয়া, ছোমালিয়া, ছুডান, ছিৰিয়া, ভেনেজুৱালা আৰু য়েমেনক এই তালিকাত ৰখা হৈছে। অৰেঞ্জ তালিকাত পাকিস্তান আৰু ৰাছিয়াৰ উপৰি ম্যানমাৰ, বেলাৰুছ, হাইটি, লাউচ, এৰিট্ৰিয়া, ছিৰিয়া লিয়ন, দক্ষিণ ছুদান, তুৰ্কমেনিস্তান আছে। আনহাতে য়েল্লো শাখাত অংগোলা, ভেনিন, কেমেৰুন, ডমিনিকা, মালি, গিনিয়া, জিম্বাবুকে ধৰি ২২ খন দেশক অন্তৰ্ভুক্ত কৰা হৈছে। এই দেশ কেইখনৰ নাগৰিকে তেওঁলোকক বান্ধি দিয়া নিৰ্দিষ্ট চৰ্তসমূহ পূৰণ কৰিব নোৱাৰিলে তেওঁলোকক অৰেঞ্জ বা ৰেড তালিকাতো অন্তৰ্ভুক্ত কৰা সম্ভাৱনা থকাৰ কথাও প্ৰকাশ কৰা হৈছে।

০০০০০

য়েমেনৰ হুটি বিদ্ৰোহীসকলৰ সম্ভাব্য প্ৰত্যাক্ৰমণৰ পৰিপ্ৰেক্ষিতত ইজৰাইলৰ বায়ুসেনাই হাই এলাৰ্ট জাৰি কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আক্ৰমণৰ পাছত অঞ্চলটোত উত্তেজনা অধিক বৃদ্ধি পাইছে। ইজিপ্তৰ শৰ্ম-এল-শ্বেইখত য়েমেনৰ পৰা কৰা মিছাইল আক্ৰমণৰ পাছতে ইজৰাইল এতিয়া অধিক তৎপৰ হৈ পৰিছে। এই আক্ৰমণ ইজৰাইল নে অঞ্চলটোত অৱস্থিত আমেৰিকাৰ প্ৰতিষ্ঠানৰ ওপৰত কৰা হৈছিল সেয়া নিশ্চিত হ'বলৈ ইজৰাইলৰ চোৰাংচোৱা সংস্থাই তদন্ত অব্যাহত ৰাখিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ দ্বাৰা য়েমেনত হুটি অৱস্থানসমূহত কৰা বৃহৎ বিমান আক্ৰমণৰ পাছতেই সমগ্ৰ অঞ্চলজুৰি উত্তেজনাপূৰ্ণ পৰিৱেশ বিৰাজ কৰিছে। ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালত আমেৰিকাৰ সেনাৰ আক্ৰমণত য়েমেনত এতিয়ালৈ কমেও ৩১ জন লোকৰ মৃত্যু হোৱাৰ উপৰি ১০১ জন আঘাটপ্ৰাপ্ত হৈছে।

ইজৰাইল হামাছৰ সংঘৰ্ষৰ আৰম্ভণিৰে পৰা ইৰাণ সমৰ্থিত হুটিয়ে পেলেষ্টাইনীসকলৰ সমৰ্থনত ইজৰাইলৰ বিভিন্ন অঞ্চলত প্ৰায় ৩২০টা ড্ৰোণ আক্ৰমণ কৰিছে। হুটি বিদ্ৰোহীসকলে এতিয়া আমেৰিকা আৰু ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাক্ৰমণৰ কৰাটো স্পষ্ট কৰাৰ পাছতেই সংঘৰ্ষ অধিক তীব্ৰতৰ হোৱাৰ আশংকাই দেখা দিছে।

০০০০০

কাবাডী বিশ্বকাপ ২০২৫ আজি ইংলেণ্ডত আৰম্ভ হ'ব। ইটালীৰ বিৰুদ্ধে ভাৰতীয় পুৰুষৰ দলটোৱে উলভাৰহেম্পটনত আজি অভিযান আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে পাঁচ বজাৰ পৰা খেলখন আৰম্ভ হ'ব । সাত দিনীয়া এই প্ৰতিযোগীতাখনত ৬০খনতকৈও অধিক খেল অনুষ্ঠিত হ'ব। পুৰুষ শাখাৰ প্ৰতিযোগিতাৰ বাবে ১০টা দলক গ্ৰুপ এ আৰু গ্ৰুপ বি হিচাপে বিভক্ত কৰি দিয়া হৈছে। ভাৰতীয় দলটোৱে ইটালী, স্কটলেণ্ড, ৱেলছ আৰু চীনৰ সৈতে গ্ৰুপ বিত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে, মহিলা শাখাত মুঠ ছটা দলে অংশগ্ৰহণ কৰিব। ভাৰতৰ মহিলা দলটোৱে গ্ৰুপ ডিত ৱেলছ আৰু পোলেণ্ডৰ সৈতে গ্ৰুপ প্ৰতিদ্বন্দ্বিতা কৰিব। কাবাডী বিশ্বকাপৰ

এয়া হৈছে দ্বিতীয় সংস্কৰণ। ২০১৯ চনত মালয়েছিয়াই আয়োজন কৰা প্ৰথম সংস্কৰণত ভাৰতে পুৰুষ আৰু মহিলা উভয় শাখাতে বিজয়ী মুকুট লাভ কৰিছিল।

এছিয়াৰ বাহিৰত এইবাৰ প্ৰথমবাৰৰ বাবে কাবাডী বিশ্বকাপ আয়োজন কৰা হৈছে।

০০০০০

আই পি এল টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰাক্‌ক্ষণত যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছে উমৰান মালিকৰ স্থানত বাওহতীয়া বেগী বলাৰ চেতন ছাকাৰিয়াক দলত অন্তৰ্ভুক্ত কৰিছে। মালিকৰ আঘাটৰ বাবে শেষ মুহূৰ্তত ছাকাৰিয়াক চুক্তিবদ্ধ কৰা হয়। ২৭ বছৰীয়া খেলুৱৈগৰাকী যোৱাবৰ্ষতো কে কে আৰ দলত আছিল যদিও এখন খেলতো খেলাৰ সুযোগ লাভ কৰা নাছিল। ২০২১ চনত আই পি এলত ৰাজস্থান ৰয়েলছৰ জৰিয়তে অভিষেক ঘটা ছাকাৰিয়াই ২০২২ত ডেলহি কেপিটেলছ দলত অন্তৰ্ভুক্ত হৈছিল।

০০০০০

শচীন তেণ্ডুলকাৰ নেতৃত্বাধীন ইণ্ডিয়া মাষ্টাৰ্ছে ইণ্টাৰনেচনেল মাষ্টাৰ্ছ লীগ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম সংস্কৰণৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত দলটোৱে ব্ৰায়ান লাৰা নেতৃত্বাধীন ৱেষ্ট ইণ্ডিজ দলক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৮ ৰান কৰিবলৈ সমৰ্থ হয়। প্ৰত্যুত্তৰত ইণ্ডিয়া মাষ্টাৰ্ছে অম্বতি ৰায়ডুৰ ৫০টা বলত কৰা কৰা ৭৪ ৰানৰ সহায়ত ১৭ অভাৰ আৰু এটা বলতে বিজয় লক্ষ্যত উপনীত হয়। ৰায়ডূক প্লেয়াৰ অব দ্যা মেচ আৰু শ্ৰীলংকাৰ কুমাৰ ছাংগাকাৰাক মাষ্টাৰ ষ্ট্ৰোক অফ দ্য ছিজন বঁটা আগবঢ়োৱা হয়। এই বিজয়ৰ অন্তত ভাৰতৰ অধিনায়ক শচীন তেণ্ডুলকাৰে প্ৰতিযোগিতাখনত অৱতীৰ্ণ হৈ পুৰণি দিনবোৰলৈ ঔভতি যোৱা যেন অনুভৱ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰকাশ কৰে। লগতে ক্ৰিকেটৰ এসময়ৰ মহান খেলুৱৈসকলৰ সৈতে পুনৰ খেলিবলৈ পোৱাটো অতি ৰোমাঞ্চকৰ অভিজ্ঞতা বুলিও শচীনে মত ব্যক্ত কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **জন্মগত সমস্যা আৰু আনুষংগিক বিষয়** সন্দৰ্ভত নতুন দিল্লীস্থিত এইমছৰ শিশু অস্ত্ৰোপচাৰ বিভাগৰ অধ্যাপক ডাঃ প্ৰবোধ গোৱেল আৰু নতুন দিল্লীৰ স্বামী দয়ানন্দ হাস্পতালৰ শিশু আৰু নৱজাতক চিকিৎসা বিভাগৰ মুৰববী ডাঃ সুৰিন্দৰ সিং বিষ্টৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি কিদৰে নৱজাতকৰ জন্মগত সমস্যা চিনাক্ত কৰি চিকিৎসাৱ ব্যৱস্থা কৰিব পাৰি সেই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কালি নতুন দিল্লীত আমেৰিকাৰ ৰাষ্ট্ৰীয় চোৰাংচোৱা বিভাগৰ সঞ্চালক তুলসী গাবাৰ্ডৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত

নেতাদুগৰাকীয়ে ভাৰত-আমেৰিকাৰ দ্বিপাক্ষিক সম্পৰ্কৰ কেইবাটাও দিশ সম্পৰ্কে আলোচনা কৰে। বহুজাতিক ভ্ৰমণ কাৰ্যসূচীৰ অংশ হিচাপে তুলসী গাবাৰ্ড ভাৰতত উপস্থিত হৈছে।

০০০০০

**সমাপ্ত**